# চলন্তাপাৰা মহাত্মা গান্ধী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গোলাম খানৰ মৃত্যু

আমাৰ খবৰ, যোগীঘোপা, ৭ ছেপ্টেম্বৰ ঃ বঙাইগাঁও জিলাৰ চলন্তাপাৰাস্থিত মহাত্মা গান্ধী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গোমান খান (৪২) আজিপুৱা ৬.৩০ বজাত চলন্তাপাৰাৰ নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। ১৯৭৩ চনৰ বৰপেটা জিলা কলগাছিয়াৰ নিকটৱৰ্তী বালিকুৰি চৰত জন্ম গ্ৰহণ কৰা গোমান খানে তাতেই শিক্ষা জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত শিক্ষা বিভাগত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। শিলচৰ অসম বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ১৯৯৭ চনত চলন্তাপাৰাস্থিত মহাত্মা গান্ধী মহাবিদ্যালয়ত প্ৰৱক্তা হিচাপে যোগদান কৰে। বিগত ১৭ বছৰ কাল মহাবিদ্যালয়খনত শিক্ষকতা কৰা মৃদুভাষী খান ডেৰ বছৰ ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল। শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ অধ্যক্ষ পদৰ পৰা অব্যাহতি লৈছিল। পত্নীসহ এটি পুত্ৰ আৰু দুটি কন্যা সন্তান এৰি অকাল মৃত্যুক আঁকোৱালি লোৱা প্ৰাক্তন অধ্যক্ষগৰাকী অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে জড়িত আছিল। আজি বিয়লি ৪.৪৫ বজাত তেওঁৰ জানাজা নামাজ সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত মহাবিদ্যালয়খনৰ সমূহ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ একতা সভা, চলন্তাপাৰা 'ইলাহিট এন জি অ', গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ চলন্তাপাৰা আঞ্চলিক সমিতি, উত্তৰ শালমাৰা জিলা আমছু, বঙাইগাঁও জিলা কংগ্ৰেছ, অগপ এ আই ইউ ডি এফ যোগীঘোপা প্ৰেছ ক্লাব আদিকে ধৰি অঞ্চলৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে সুদীৰ্ঘ ১৭ বছৰকাল অপ্ৰাদেশীকৃত মহাবিদ্যালয়ত শিক্ষকতা কৰি আৰ্থিক অনাটনকে ধৰি বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি কৰ্ম জীৱন পাৰ কৰা প্ৰাক্তন অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়খন হোৱাৰ সময়ত অকাল মৃত্যুক সাৱটি ল'ব লগা হয়।